# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 04-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

00000

১। অসম, পশ্চিমবংগ, কেৰলম, তামিলনাডু আৰু পুডুচেৰীত আজি বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

২। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আইন ব্যৱস্থা সৰল, আৰু শক্তিশালী কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰিবলৈ অধিবক্তাসকলৰ প্ৰতি আহ্বান জনাইছে।

৩। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে ৰাজ্যখনৰ আন্তঃগাঁথনিৰ উন্নয়ন শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ভাৰত চৰকাৰৰ ভূমিকাৰ শলাগ লৈছে।

৪। বিহাৰৰ মুজাফ্ফৰপুৰ জিলাৰ ৰতনপুৰ গাঁৱৰ সমীপত সংঘটিত পথ দুৰ্ঘটনাত কালি চাৰিজন লোক নিহত হোৱাৰ লগতে এজন লোক গুৰুতৰভাৱে আহত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেবদাবাদত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে পঞ্জাৱ কিংছক ৪ উইকেটত পৰাস্ত কৰে।

00000

অসম, পশ্চিমবংগ, কেৰলম, তামিলনাডু আৰু পুডুচেৰীত আজি বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব। প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হ'ব আৰু চাৰে ৮ বজাৰ পৰা ই ভি এম ভোটগণনা কৰা হ'ব। দুপৰীয়াৰ ভাগলৈ ফলাফলৰ অগ্ৰগতি লাভ কৰাৰ আশা আছে। নিৰ্বাচন আয়োগে ভোটগণনা অনুষ্ঠিত হ'বলগীয়া প্ৰতিটো স্থানতেই কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে।

অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে প্ৰাৰ্থীসকলৰ আজি নিৰ্বাচনী ভাগ্য নিৰ্ণয় হ'ব। বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। আজি ৰাজ্যখনৰ ৩৫ খন জিলাৰ মুঠ ৪০টা কেন্দ্ৰত ১২৬টা বিধানসভা সমষ্টিৰ বাবে ভোটগণনা কৰা হ'ব। ৫৯ গৰাকী মহিলাকে ধৰি ৭২২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য আজি নিৰ্ণয় হ'ব। গুৰুত্বপূৰ্ণ প্ৰাৰ্থীকেইগৰাকী ভিতৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অসম প্ৰদেশৰ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিৰোধীপক্ষৰ নেতা দেৱব্ৰত শইকীয়া, এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমল, ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ অন্যতম।

কেৰলমৰ ১৪০টা বিধানসভা সমষ্টিৰ বাবে আজি ভোটগণনা কৰা হ'ব। ইয়াৰ বাবে ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থাকে ধৰি প্ৰয়োজনী সকলো প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈছে।

তামিলনাডুত ভোটগণনাৰ বাবে ১০ হাজাৰ ৫৪৫ গৰাকী কৰ্মী নিয়োগ কৰা হৈছে। এই কৰ্মীসকলক ৪ হাজাৰ ৬২৪ গৰাকী মাইক্ৰ'অবজাৰ্ভাৰে সহায় কৰিব। ৰাজ্যখনৰ ২৩৪টা বিধানসভা সমষ্টিৰ বাবে আজি পুৱা ৮ বজাত ভোটগণনা আৰম্ভ হ'ব।

পশ্চিমবংগৰ ২৯৩ খন আসনৰ বাবে মুঠ ৭৭টা কেন্দ্ৰত ভোটগণনা কৰা হ'ব। ভোটগণনা নিয়াৰিকৈ কৰাৰ বাবে কেইবা তৰপীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে।

ইপিনে কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীতো বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। পুডুচেৰীৰ ৩০ খন আসনৰ বাবে হ'বলগীয়া ভোটগণনাক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৱা ৯ বজাৰ পৰা সন্ধিয়া চাৰে ৬ বজালৈ অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সন্দৰ্ভত **'জনমত-২০২৬'** শীৰ্ষক দিনজোৰা আলোচনা প্ৰচাৰ কৰিব। এই আলোচনাত কেইবাগৰাকী বিশেষজ্ঞই জনসাধাৰণক ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভোটগণনাৰ সবিশেষ, সমষ্টিভিত্তিত ফলাফল তথা বিশ্লেষণ ধাৰাবাহিকভাৱে আগবঢ়াব। আলোচনাত জ্যেষ্ঠ সাংবাদিক সুশান্ত তালুকদাৰ, ৰাজনৈতিক বিশ্লেষক অপৰূপা বৰঠাকুৰ, নৰকান্ত বৈশ্য, ধৰণীধৰ গোস্বামী আৰু বেদব্ৰত দেৱমিশ্ৰ উপস্থিত থাকিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি প্ৰচাৰ নহয়। অৱশ্যে সময়ে সময়ে প্ৰতিটো সমষ্টিৰ ভোটগণনাৰ সবিশেষ প্ৰচাৰ কৰা হ'ব।

ooooo

কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কালি ৰাঁচিত উচ্চ ন্যায়ালয়ৰ অধিবক্তাসকলৰ এখন সন্মিলনত অংশগ্ৰহণ কৰে। এই সন্মিলনত ন্যায়িক ব্যৱস্থাৰ প্ৰত্যাহ্বান, সেইসমূহৰ সংস্কাৰ আৰু আইনবিদসকলৰ ভূমিকা সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। সন্মিলনত দিয়া ভাষণত শ্ৰীমেঘৱালে আইন ব্যৱস্থা অধিক সৰল, সুলভ তথা শক্তিশালী কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰিবলৈ অধিবক্তাসকলৰ প্ৰতি আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে সংসদ সাংস্কৃতিক মহোৎসৱ আৰু স্বদেশী মেলাৰ সামৰণি কাৰ্যসূচীতো অংশগ্ৰহণ কৰি থলুৱা সামগ্ৰীৰ ব্যৱহাৰ তথা প্ৰসাৰৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায়। ৰাঁচি ভ্ৰমণৰ সময়ত মন্ত্ৰীগৰাকীয়ে কেইবাটাও কাৰ্যসূচীতো অংশগ্ৰহণ কৰে।

ooooo

নাগালেণ্ডৰ মোককচাং জিলাৰ কৰিডাং বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ আজি ভোটগণনা কৰা হ'ব। উপায়ুক্তৰ কাৰ্যালয়ৰ ভৱনত মুঠ ১০ খন টেবুলত তিনিটা ৰাউণ্ডত ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে অঞ্চলটোত কেইবাতৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভোটগণনা স্বচ্ছ, নিকা আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ভোটগণনাকাৰী বিষয়াসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে বিজেপিৰ বিধায়ক ইমকং এল ইমচেনৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত যোৱা ৯ এপ্ৰিলত সমষ্টিটোৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনত ৮২ দশমিক ২—১ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছিল। আজিৰ ভোটগণনাত মুঠ ছগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য নিৰ্ণয় হ'ব।

ooooo

অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে ৰাজ্যখনৰ আন্তঃগাঁথনিৰ উন্নয়ন শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ভাৰত চৰকাৰৰ ভূমিকাৰ শলাগ লয়। নতুন

দিল্লীৰ ধীৰপুৰত নতুনকৈ নিৰ্মিত অৰুণাচল নিৱাস উদ্বোধন কৰি কালি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শৰ অধীনত ৰাজ্যখনে প্ৰায় ৪,৯০০ কোটি টকা লাভ কৰিছে, যাৰ জৰিয়তে জটিল আন্তঃগাঁথনিৰ ব্যৱধান দূৰ হোৱাৰ লগতে উন্নয়নৰ গতি ত্বৰান্বিত হ'ব। নতুন দিল্লীৰ ধীৰপুৰত নতুনকৈ নিৰ্মিত অৰুণাচল নিৱাসে ৰাজ্যৰ বাহিৰত বাস কৰা আৰু ৰাজ্যখনলৈ ভ্ৰমণ কৰা নাগৰিকসকলৰ কল্যাণৰ বাবে আন্তঃগাঁথনি শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অব্যাহত থকা প্ৰচেষ্টাত এটা উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। সভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে প্ৰকল্পটোৰ সৈতে জড়িত সকলো অংশীদাৰক অভিনন্দন জ্ঞাপন কৰে। নতুন অৰুণাচল নিৱাসত ৰোগীৰ বাবে সু ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে, যাৰ ফলত ৰাজধানীত চিকিৎসা সাহায্যৰ প্ৰয়োজন হোৱাসকলৰ বাবে ই বিশেষভাৱে উপকাৰী হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

০০০০০

আকাশবাণীৰ একালৰ জনপ্ৰিয় বাতৰি পৰিৱেশিকা লিলি দাস মালিকৰ কালি বেংগালুৰুত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ। আকাশবাণীৰ প্ৰথমগৰাকী বাতৰি পৰিৱেশিকা লিলি দাস মালিকে কালি নিশা চাৰে ৮ বজাত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৫৪ চনৰ পৰা ১৯৯৫ চনলৈকে তেওঁ আকাশবাণী দিল্লীৰ অসমীয়া বাতৰি পৰিৱেশিকা হিচাপে কৰ্মৰত আছিল আৰু শ্ৰোতাৰ মাজৰ অত্যন্ত জনপ্ৰিয় আছিল। আকাশবাণীযোগে প্ৰচাৰিত তেওঁ কণ্ঠস্বৰ আজিও বহুতো শ্ৰোতাৰ অন্তৰত সজীৱ হৈ আছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃএছ জয়শংকৰে কয় যে, ভাৰত আৰু জামাইকাৰ মাজৰ সম্পৰ্কৰ বৈশিষ্ট্য হৈছে ধাৰাবাহিকতা আৰু পৰিৱৰ্তন। বৰ্তমানৰ সহযোগিতাৰ দ্বাৰা শক্তিশালী, আৰু অধিক সম্ভাৱনাৰে ভৰা ভৱিষ্যতৰ লক্ষ্যৰে দেশ দুখনৰ মাজৰ এই সম্পৰ্কই গতি লৈছে বুলি জামাইকাৰ এখন ব্যক্তিগত বাতৰি কাকতৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত জয়শংকৰে মত প্ৰকাশ কৰে । তেওঁ কয় যে দুয়োখন দেশে একেলগে কাম কৰি যাব লাগিব তথা দুয়ো দেশৰ জনসাধাৰণৰ বাবে কাম কৰা আৰু অধিক ন্যায়পৰায়ণ পৃথিৱীত অৰিহণা যোগোৱা গভীৰ আৰু অধিক স্থিতিস্থাপক অংশীদাৰিত্ব গঢ়ি তুলিব লাগিব।

কেৰিবিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ কৌশলগত আৰু সাংস্কৃতিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ উদ্দেশ্য বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে জামাইকা, চুৰিনাম, আৰু ট্ৰিনিদাদ তথা ট'বাগো ভ্ৰমণৰ ৯ দিনীয়া কাৰ্যসূচীৰ প্ৰথম ভাগত কালি সন্ধিয়া কিংষ্টনত উপস্থিত হয়।

০০০০০

বিহাৰৰ মুজাফ্ফৰপুৰ জিলাৰ ৰতনপুৰ গাঁৱৰ সমীপত সংঘটিত পথ দুৰ্ঘটনাত চাৰিজন লোক নিহত হোৱাৰ লগতে এজন লোক গুৰুতৰভাৱে আহত হয়। মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ পৰিয়াললৈ ৪ লাখকৈ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে। এই ঘটনাক অত্যন্ত মৰ্মান্তিক আৰু হৃদয় বিদাৰক বুলি

অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে বিদেহ আত্মাৰ বাবে শান্তি আৰু শোকসন্তপ্ত পৰিয়ালসমূহৰ বাবে শক্তিৰ বাবে প্ৰাৰ্থনা কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত প্ৰতিৰক্ষা ত্ৰিৱেণীসংগম বিষয়ক আলোচনাচক্ৰ মুকলি কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনাইছে যে এই আলোচনা চক্ৰই কাৰ্য্যকৰী প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিবলৈ অত্যাধুনিক থলুৱা প্ৰযুক্তিসমূহ প্ৰদৰ্শন আৰু একত্ৰিত কৰাৰ বাবে এখন সজীৱ মঞ্চ হিচাপে কাম কৰিব। এই প্ৰদৰ্শনীত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ক্ষুদ্ৰ,লঘু আৰু মজলীয়া উদ্যোগ, ষ্টাৰ্ট-আপ আৰু উদ্ভাৱককে ধৰি একাধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰিব।

দুশ আশীটাতকৈও অধিক কোম্পানীয়ে নিজৰ শেহতীয়া উদ্ভাৱন আৰু প্ৰযুক্তি প্ৰদৰ্শন কৰি কৰিব।

উল্লেখযোগ্য যে ভাৰতীয় সেনাবাহিনীৰ নৰ্দাৰ্ণ কমাণ্ড আৰু চেণ্ট্ৰেল কমাণ্ড তথা ছ'চাইটি অৱ ইণ্ডিয়ান ডিফেন্স মেনুফেকচাৰ্হৰ যৌথ উদ্যোগত তিনিদিনীয়া এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেবদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে পঞ্জাৱ কিংছক ৪ উইকেটত পৰাস্ত কৰে। ১৬৪ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা গুজৰাট টাইটানছে নিৰ্ধাৰিত অভাৰ খেল হ'বলৈ এটা বল বাকী থকা অৱস্থাত ৬ উইকেটৰ বিনিময়ত ১৬৭ ৰান কৰে। ছাই সুদৰ্শনে সৰ্বাধিক ৫৭ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে পঞ্জাৱ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৬৩ ৰান কৰে। সূৰ্যাংশ শ্বেডগেই ২৯টা বলত ৫৭ ৰান কৰে। গুজৰাট টাইটানছৰ হৈ জেছন হন্ডাৰে ৪টা উইকেট দখল কৰে।

কালি অনুষ্ঠিত আন এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছানৰাইৰ্জাছ হায়দৰাবাদক ৭ উইকেটত পৰাস্ত কৰে। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰণ কৰি দিয়া ১৬৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি কলকাতা নাইট ৰাইডাৰ্ছে ১৮ অভাৰ আৰু দুটা বলতেই তিনিটা উইকেটৰ বিনিময়ত ১৬৯ ৰান সংগ্ৰহ কৰে। অংকৃশ ৰঘুবংশীয়ে সৰ্বাধিক ৫৯ ৰান কৰে। ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৬৫ ৰান কৰে। দলৰ হৈ ট্ৰেভিছ হেডে সৰ্বাধিক ৬১ ৰান কৰে।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত